**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 15-08-2025 **Time :** 10-22 Hrs.

## Assamese Morning Bulletin
## Headlines

১। দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন। লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশি প্ৰধানমন্ত্ৰীৰ ১০৫ মিনিট জোৰা দীঘলীয়া ভাষণ।

২। পাৰমাণিৰক ভাবুকিৰ ওচৰত সেও নামানে বুলি প্ৰধানমন্ত্ৰীৰ দৃঢ় ঘোষণা।

৩। দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ প্ৰচেষ্টা অব্যাহত, খানাপাৰত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৪। ৰাজ্যৰ সকলো জিলা সদৰকে ধৰি বিভিন্ন প্ৰান্তত স্বাধীনতা দিৱস উদযাপন।

*আৰু*

৫। স্বাধীনতা দিৱসত ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা। মেজৰ ভাৰ্গৱ কলিতাক ৰাষ্ট্ৰপতিৰ সেনা শৌৰ্যপদক।

০০০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ১০৫ মিনিট জোৰা দীঘলীয়া ভাষণ দিয়ে। এই ভাষণে তেওঁৰ যোৱাবছৰৰ ৯৮ মিনিট জোৰা স্বাধীনতা দিৱসৰ ভাষণৰ অভিলেখ ভংগ কৰে। শ্ৰীমোদীয়ে ভাষণৰ আৰম্ভণিতে অপাৰেচন সিন্দূৰৰ সাহসী সৈনিকসকললৈ প্ৰণিপাত জনায়। তেওঁ কয়, যে এই অভিযানৰ জৰিয়তে দেশৰ সাহসী সৈনিকসকলে শত্ৰুপক্ষক যোগ্য প্ৰত্যুত্তৰ দিছে। তেওঁ কয়, যে দেশৰ সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ পূৰ খণ্ডৰ কেইবাশ কিলোমিটাৰ ভিতৰলৈ গৈ সন্ত্ৰাসবাদী ঘাটিসমূহ ধূলিসাৎ কৰে। ভাৰতে এতিয়া আৰু পাৰমাণৱিক ভাবুকিৰ ওচৰত সেও নামানে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে স্বাধীনতা দিৱস আশা আৰু আকাংক্ষাৰ উৎসৱ। তেওঁ কয়, যে এই দিৱস ১৪০ কোটি ভাৰতীয়ৰ সংকল্প আৰু দেশৰ সাফল্যক লৈ গৌৰৱ কৰাৰ উপলক্ষে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। তেওঁ কয়, যে আত্মনিৰ্ভৰ ভাৰত বিকশিত ভাৰতৰ ভেঁটিস্বৰূপ আৰু সম্প্ৰতি দেশৰ সকলো ক্ষেত্ৰত আধুনিক ব্যৱস্থা গঢ়ি তোলাৰ কাম চলি আছে।

*বাইট- প্ৰধানমন্ত্ৰী*

দেশে শক্তি আৰশ্যকতা পূৰণৰ বাবে কেইবাখনো দেশৰ ওপৰত নিৰ্ভৰশীল উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে খণ্ডটোত আত্মনিৰ্ভৰশীলতা অৰ্জনত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে যোৱা ১১ বছৰত দেশত উৎপাদিত সৌৰশক্তিৰ পৰিমাণ ৩০ গুণ বৃদ্ধি পাইছে। চৰকাৰে ২০৪৭ চনৰ ভিতৰত পাৰমাণিক শক্তি সামৰ্থ ১০ গুণৰো অধিক বৃদ্ধি কৰাৰ লক্ষ্যৰে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰীয়য়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে লগতে দেশত যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১ লাখ কোটি টকাৰে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনা প্ৰৱৰ্তন কৰাৰ কথা ঘোষণা কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত ব্যক্তিগত খণ্ডত প্ৰথম চাকৰি লাভ কৰা যুৱক-যুৱতীসকলক ১৫ হাজাৰ টকা প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত চাৰে ৩ কোটি যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ নতুন সুযোগ সৃষ্টি কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে দেশে মহাকাশ খণ্ডত অভূতপূৰ্ব সাফল্য অৰ্জন কৰিছে। এই সসন্দৰ্ভত শ্ৰীমোদীয়ে কয়, যে

গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা উভতি আহিছে আৰু তেওঁ কিছুদিনৰ পাছতেই দেশলৈ আহিব। বিগত ৮ বছৰত চৰকাৰে জি এছ টি ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইয়াৰ ফলত দেশত কৰৰ বোজা হ্ৰাস পাইছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে শত্ৰু ৰাষ্ট্ৰৰ যিকোনো প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে শক্তিশালী অস্ত্ৰ প্ৰণালী গঢ়ি তোলাৰ বাবে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব। তেওঁ কয়, যে পৰৱৰ্তী ১০ বছৰত এই ৰাষ্ট্ৰীয় সুৰক্ষা ঢালৰ সম্প্ৰসাৰণ  সুদৃঢ়কৰণ আৰু আধুনিকীকৰণ কৰা হ'ব।

ইয়াৰ আগেয়ে লালকিল্লাত উপস্থিত হোৱাৰ পূৰ্বে শ্ৰীমোদীয়ে ৰাজঘাটলৈ যায় আৰু জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

oooooooo

ভাৰত ২০৪৭ চনৰ ভিতৰত উন্নত অৰ্থ ব্যৱস্থা হোৱাৰ দিশে ধাৱমান হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সামাজিক খণ্ডৰ উদ্যমৰ লগতে সৰ্বাংগীন অৰ্থনৈতিক বিকাশৰ বাবে এয়া সম্ভাৱ হৈ উঠিছে। তেওঁ কয়, যে অমৃত কাল অৰ্থাৎ স্বাধীনতা লাভৰ ৭৫ বছৰৰ পৰা ১০০ বছৰৰ সময়ছোৱাত দেশ প্ৰগতিৰ পথত আগবাঢ়িছে আৰু প্ৰতিগৰাকী নাগৰিকে এই ক্ষেত্ৰত সামৰ্থ্য অনুযায়ী অৱদান আগবঢ়াইছে। যুৱ প্ৰজন্ম, মহিলা আৰু দীৰ্ঘ সময় ধৰি উপান্ত শ্ৰেণীৰ আওতাত থকা সম্প্ৰদায়সমূহে বিকশিত ভাৰতৰ নেতৃত্ব বহন কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আস্থা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত নিৰীহ লোকৰ হত্যাক কাপুৰুষালিভৰা আৰু অমানৱীয় কাৰ্য বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰতে অপাৰেচন সিন্দূৰৰ জৰিয়তে নিৰ্ণায়ক আৰু দৃঢ় সংকল্পৰে এই আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে। অপাৰেচন সিন্দূৰৰ প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ইতিহাসৰ পাতত এই অভিযান সন্ত্ৰাসবাদৰ বিৰুদ্ধে মানৱতাৰ যুঁজ নিদৰ্শন ৰূপে লিপিবদ্ধ হ'ব।

*-বাইট-*

তেওঁ কয়, যে যোৱা বিত্তীয় বৰ্ষত ৬ দশমিক ৫ শতাংশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰেৰে ভাৰত বিশ্বৰ গুৰুত্বপূৰ্ণ অৰ্থ ব্যৱস্থাসমূহৰ ভিতৰত সবাতোকৈ বিকাশশীল অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে গোলকীয় অৰ্থ ব্যৱস্থাত দেখা দিয়া হেঁচা স্বত্বেও দেশত ঘৰুৱা চাহিদা বৃদ্ধি পাইছে আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত আছে আৰু ৰপ্তানিও বৃদ্ধি পাইছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ ভাষণত আয়ুষ্মান ভাৰতৰ অধীনত বিভিন্ন উদ্যমসমূহে স্বাস্থ্য খণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰা বুলি অভিহিত কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত ইতিমধ্যে ৫০ কোটিৰো অধিক লোকক সামৰি লোৱা হৈছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা কাৰিকৰী প্ৰগতিৰ পৰৱৰ্তী পৰ্যায় আৰু এই প্ৰযুক্তিয়ে ইতিমধ্যে জনসাধাৰণৰ জীৱনত ভূমুকি মাৰিবলৈ লৈছে। দেশৰ কৃত্ৰিম বুদ্ধিমত্তা সামৰ্থ্যৰ বিকাশৰ বাবে চৰকাৰে ইণ্ডিয়া এ আই মিছন আৰম্ভ কৰিছে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে।

oooooooo

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ব্যাপক উৎসাহ উদ্দীপনাৰে দেশৰ  ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত  স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশ লয়। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। এই অনুষ্ঠানত অসম আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ লগতে বিভিন্ন সুৰক্ষা বাহিনীসমূহে কুচকাৱাজ প্ৰদৰ্শন কৰে। নিজৰ ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে স্বৰাজোত্তৰ অসমত প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। তেওঁ কয়, যে বৰদলৈয়ে অসমৰ থলুৱা লোকসকলৰ সুৰক্ষাৰ লগতে প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত

আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়য়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীৰ ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। বিকাশৰ ক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১১৩ শতাংশ বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে। আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যখনৰ সুস্থিৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বিভিন্ন গোচৰৰ অভিযোগ নামা দাখিলৰ হাৰ পূৰ্বৰ ৪৭ৰ পৰা ৬৭ শতাংলৈ বৃদ্ধি হৈছে। একেদৰে দোষী সাব্যস্ত হোৱাৰ হাৰ পূৰ্বৰ ৫ দশমিক ৭ শতাংশৰ পৰা চলিত বছৰত ২২ দশমিক ১-০ শতাংশলৈ বৃদ্ধি হৈছে। মহিলাৰ বিৰুদ্ধে পঞ্জীভুক্ত অপৰাধমূলক গোচৰ পূৰ্বৰ ২৬ হাজাৰৰ পৰা চলিত বছৰত ৫ হাজাৰলৈকে হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। বাল্যবিবাহ ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উল্লেখনীয় পদক্ষেপৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে এই গোচৰসমূহত ৯৫ শতাংশ অভিযোগ নামা দাখিল কৰা হৈছে। নিযুক্তিৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে ১ লাখ ২১ হাজাৰৰো অধিক যুৱক-যুৱতীক স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ জনগাঁথনিৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

পতাকা উত্তোলন কাৰ্যসূচীৰ পাছত দিনৰ ১০ বজাত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কাৰাবন্দী, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট চিকিৎসালয় আৰু যক্ষ্মা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে বিভিন্ন অনাথ আশ্ৰম, মুক-বধিৰ বিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু আন ভিন ভিন অনুষ্ঠান-প্ৰতিষ্ঠানত ফলমূল আদি বিতৰণ কৰা হয়।

০০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যবাসীক উদ্দেশি দিয়া ভাষণত দেশৰ বীৰ ছুদিহসকলৰ ত্যাগ আৰু বলিদানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। স্বাধীনতাই কেৱল আমাৰ অধিকাৰ ৰক্ষা কৰাই নহয়, ই আমাক ৰাষ্ট্ৰৰ প্ৰতি কৰ্তব্য পালনৰ সুযোগ প্ৰদান কৰে বুলি ৰাজ্যপাল শ্ৰী আচাৰ্যই উল্লেখ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাৰ্গ দৰ্শনেৰে সমগ্ৰ দেশ আত্মনিৰ্ভৰ হোৱাৰ দিশত আগবাঢ়ি গৈছে। প্ৰধানমন্ত্ৰীৰ বিভিন্ন আঁচনি আৰু যোজনাই আমাৰ ৰাজ্যখনকো উন্নতিৰ দিশলৈ লৈ গৈছে বুলি ৰাজ্যপালগৰাকীয়ে কয়।

*(বাইট ঃ ৰাজ্যপাল)*

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ বিভিন্ন স্থানত বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় ইত্যাদি স্থাপনে প্ৰধানমন্ত্ৰীৰ বিকশিত ভাৰত যাত্ৰাত গতি প্ৰদান কৰিছে বুলি ৰাজ্যপালে ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি উলহ-মালহেৰে স্বাধীনতা দিৱস পালন কৰা হয়। কেইবাগৰাকী মন্ত্ৰীয়ে জিলা সদৰসমূহত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

তিনিচুকীয়াত আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। নগাঁও চহৰৰ ঐতিহ্য মণ্ডিত নুৰুল আমিন ষ্টেডিয়ামত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ভাষণ দিয়ে। নলবাৰী জিলাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ত্ৰিৰংগ পতাকা উত্তোলন কৰি কুচ-কুৱাজৰ অভিবাদন গ্ৰহণ কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে দক্ষিণ শালমাৰা মানকাচৰ, অতুল বৰাই যোৰহাট, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপ, যোগেন মহনে চৰাইদেউ, অজন্তা নেওগে শিৱসাগৰ, পীযুষ হাজৰিকাই মৰিগাঁও, প্ৰশান্ত ফুকনে ডিব্ৰুগড়, নন্দিতা গাৰ্লোচাই বঙাইগাঁও, কৃষ্ণেন্দু পালে শ্ৰীভূমি আৰু কৌশিক ৰায়ে শিলচৰত ত্ৰিৰংগ পতাকা

উত্তোলন কৰে। একেদৰে ৰূপেশ গোৱালাই লখিমপুৰ, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কোকৰাঝাৰ, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে কাৰ্বি আংলঙত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

দৰং জিলাৰ মঙলদৈত আজি চৰকাৰী কাৰ্যসূচীৰ লগতে বিভিন্ন বে-চৰকাৰী অনুষ্ঠানেও স্বাধীনতা দিৱস উদযাপন কৰে। বে-চৰকাৰী সংস্থা ক্ৰিষ্টেল ভিজনৰ দ্বাৰা দিৱস উদযাপন কৰা হয়। ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলা প্ৰশাসনেও এই দিৱসৰ আয়োজন কৰে। একেদৰে পশ্চিম কাৰ্বি আংলঙৰ হামৰেনত আৰু বৰপেটাত জিলা আয়ুক্তই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ চৌহদতো আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মুৰব্বী অভিযান্ত্ৰিক শাখাৰ উপ সঞ্চালক প্ৰধান ৱালিউল্লা খানে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

০০০০০০০০

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। অসমৰ ১৭ গৰাকী আৰক্ষীয়ে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছে। আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তলৈ উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু কনিষ্টবল অখিলৰঞ্জন দাসে সাহসিকতাৰ আৰক্ষী পদক লাভ কৰিছে। একেদৰে আৰক্ষী মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ, আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিং, কামাণ্ডেণ্ট জয়শ্ৰী খেৰচা, আৰক্ষী অধীক্ষক হৃদয়জিৎ বৰ্মন, আৰক্ষী অধীক্ষক নুমল মাহাট্টা, কামাণ্ডেণ্ট দেৱাশীষ বৰা, কামাণ্ডেণ্ট টাবুৰাম পেগু, উপ-আৰক্ষী অধীক্ষক নিৰ্মল চন্দ্ৰ বিশ্বাস, আৰক্ষী পৰিদৰ্শক ললিত শইকীয়া, উপ-পৰিদৰ্শক অখিল কুমাৰ দাস, পৰিদৰ্শক ধ্ৰুৱ ছৰ্‌কি, সহকাৰী কামাণ্ডেণ্ট নবীন চন্দ্ৰ শৰ্মা আৰু উপ-পৰিদৰ্শক ৰবীন্দ্ৰ সিন্‌হাই বিশিষ্ট সেৱাৰ বাবে আৰক্ষী পদক লাভ কৰিছে।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলোৱা অভিযানত সাহসিকতা আৰু বীৰত্ব দেখুওৱাৰ বাবে অসম সন্তান মেজৰ ভাৰ্গৱ কলিতাসহ ১৫ গৰাকী প্ৰতিৰক্ষা বাহিনীৰ বিষয়াক ৰাষ্ট্ৰপতিৰ সেনা শৌৰ্যচক্ৰ পদক আগবঢ়োৱা হৈছে। উল্লেখ্য যে শৌৰ্যচক্ৰ লাভ কৰা মেজৰ ভাৰ্গৱ কলিতা কামৰূপৰ পলাশবাৰীৰ নিবাসী। জম্মু-কাশ্মীৰৰ পুলৱামা, অৱন্তিপুৰ, বদগাম, শ্ৰীনগৰৰ দৰে অঞ্চলত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযানত মেজৰ ভাৰ্গৱ কলিতাই সাহসিকতাৰ পৰিচয় দিছিল। মেজৰ কলিতাৰ নেতৃত্ব হোৱা সন্ত্ৰাসবাদ বিৰোধী অভিযানত কেইবাটাও সন্ত্ৰাসবাদীক ধৰা পৰাৰ লগতে নিহত হৈছিল। পলাশবাৰীৰ অৱসৰ প্ৰাপ্ত মেজৰ জেনেৰেল ভাস্কৰ কলিতাৰ পুত্ৰ ৰাষ্ট্ৰপতিৰ শৌৰ্যপদক লাভ কৰা মেজৰ ভাৰ্গৱ কলিতা।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

শ্ৰোতাসকলক জনাই থওঁ যে, বাতৰিৰ আধিক্যৰ পৰিপ্ৰেক্ষিতত আজি বাতৰিকাকতৰ শিৰোনাম পৰ্যালোচনা প্ৰচাৰ কৰা হোৱা নাই।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ্ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ্ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰ সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooooo

**সমাপ্ত**